

# কিৰণ তামূলী শিশু-সাহিত্য বঁটা, ২০২২

## ড° নয়নমণি বৰুৱা

'কিৰণ তামূলী শিশু-সাহিত্য বঁটা' প্ৰদান অনুষ্ঠানলৈ
আপোনাক আদৰণি জনাইছোঁ।
'অসমীয়া শিশু-সাহিত্যত থলুৱা পৰিৱেশ' শীৰ্ষক বিষয়ত গৱেষণা কৰি
আপুনি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে।
বৰ্তমান আপুনি বাইহাটা চাৰিআলিস্থিত পূব কামৰূপ মহাবিদ্যালয়ৰ
অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা পদত কৰ্মৰত।
অসমৰ অগ্ৰণী সাহিত্য আলোচনী আৰু সংকলনত
আপোনাৰ গৱেষণাধৰ্মী অসমীয়া শিশু-সাহিত্য সম্পৰ্কীয়
নিবন্ধ প্ৰকাশ পাই আহিছে। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ বহুসংখ্যক
আলোচনা-চক্ৰত আপুনি শিশু-সাহিত্যৰ লগতে সাহিত্য-সংস্কৃতি
বিষয়ৰ গৱেষণা-পত্ৰ পাঠ কৰিছে। আপুনি প্ৰণয়ন কৰা
'অসমীয়া শিশু-সাহিত্য' (২০২১) গ্ৰন্থত শিশু-সাহিত্যৰ তাত্ত্বিক আৰু
ইতিহাসৰ লগতে বিভিন্ন দিশৰ আলোচনাই স্থান পাইছে।
'ৰতনপুৰলৈ ৰিং এটাৰ বাট' আৰু 'ৰতনপুৰৰ ৰিং' আপোনাৰ প্ৰকাশিত শিশুপুথি।

ডা° কিৰণময়ী তামূলীৰ স্মৃতিত প্ৰতিষ্ঠিত
'কিৰণ তামূলী শিশু-সাহিত্য ন্যাস'-এ
'অসমীয়া শিশু-সাহিত্য' গ্ৰন্থৰ বাবে আপোনাক
**২০২২ বৰ্ষৰ 'কিৰণ তামূলী শিশু-সাহিত্য পৰ্য্যালোচনা বঁটা'**
প্ৰদান কৰিবলৈ পাই গৌৰৱবোধ কৰিছে।
অনাগত দিনত আপোনাৰ সাহিত্য চৰ্চাই অসমীয়া শিশু-সাহিত্যকো
সমৃদ্ধিশালী কৰক— তাৰেই কামনা কৰি অভিনন্দন জ্ঞাপন কৰিলোঁ।

**জয়ন্ত মাধৱ বৰা**
সচিব

কিৰণ তামূলী শিশু-সাহিত্য ন্যাস
সহযোগী প্ৰতিষ্ঠান ঃ 'মৌচাক' আৰু নতুন অভিযান
মৌচাক ভৱন, ঢেকৰগাঁও, যোৰহাট ৭৮৫ ০০৬
৪ ডিচেম্বৰ, ২০২২

**শান্তনু তামূলী**
সঞ্চালক



কিৰণ তামূলী শিশু-সাহিত্য বঁটা, ২০২২ বৰ্ষ

ড° নয়নমণি বৰুৱা

'অসমীয়া শিশু-সাহিত্য' নামৰ গ্ৰন্থৰ বাবে আপোনাক ২০২২ বৰ্ষৰ 'কিৰণ তামূলী শিশু-সাহিত্য পৰ্য্যালোচনা বঁটা' প্ৰদান কৰা হ'ল।

জয়ন্ত মাধৱ বৰা
সচিব

কিৰণ তামূলী শিশু-সাহিত্য ন্যাস
৪ ডিচেম্বৰ, ২০২২

শান্তনু তামূলী
সঞ্চালক






২০০৯ চনৰপৰা বাইহাটা চাৰিআলিস্থিত পূব কামৰূপ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা হিচাপে কৰ্মৰত ড° নয়নমণি বৰুৱাৰ জন্ম হয় শিৱসাগৰ জিলাৰ নামতি চাৰিআলিৰ অন্তৰ্গত গৰখীয়া নগৰ গণক গাঁৱত। তেওঁ নাজিৰা মহাবিদ্যালয়ৰপৰা ২০০৬ চনত অসমীয়া বিষয়ত ডিষ্টিংচনসহ প্ৰথম শ্ৰেণীৰ স্নাতক আৰু ২০০৮ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা প্ৰথম শ্ৰেণীৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ২০১৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰপৰা 'অসমীয়া শিশু-সাহিত্যত থলুৱা পৰিৱেশ' শীৰ্ষক বিষয়ত পিএইচ. ডি. ডিগ্ৰী লাভ কৰে। অনাতাঁৰ কেন্দ্ৰ, ডিব্ৰুগড়ৰ অংশকালীন ঘোষিকা হিচাপে কৰ্মজীৱন আৰম্ভ কৰা বৰুৱাৰ বৰ্তমানলৈকে 'অসম সাহিত্য সভা পত্ৰিকা', 'গৰীয়সী', 'সাতসৰী', 'মুকুতা' আদি আলোচনীত গৱেষণাধৰ্মী প্ৰবন্ধ, গল্প আদি প্ৰকাশ পোৱাৰ লগতে বিভিন্ন সম্পাদিত গ্ৰন্থ, আলোচনীত প্ৰবন্ধ, অনুবাদ গল্প, কবিতা আদিও প্ৰকাশিত হৈছে। তেওঁৰ শিশু-গল্পৰ সংকলন হ'ল 'ৰতনপুৰলৈ ৰিং এটাৰ বাট' (২০১৭)।

গ্ৰন্থখনত শিশু-সাহিত্যৰ সংজ্ঞা আৰু স্বৰূপৰ লগতে অসমীয়া শিশু-সাহিত্যৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে বিশদ আলোচনা সন্নিৱিষ্ট হৈছে। বিশ্বৰ কেইবাটাও ভাষাৰ শিশু-সাহিত্যৰ প্ৰসংগ, যুগ-বিভাজনৰ আধাৰত অসমীয়া শিশু-সাহিত্যৰ আলোচনা, কেইবাগৰাকী বিশিষ্ট অসমীয়া শিশু-সাহিত্যিকৰ বিষয়ে বিস্তৃত আলোচনা, শিশু-সাহিত্যৰ লগত জড়িত আন বহুতো প্ৰাসংগিক বিষয় আদিৰ গৱেষণামূলক বিশ্লেষণেৰে গ্ৰন্থখন সমৃদ্ধ। শতাধিক অসমীয়া শিশু-গ্ৰন্থৰ তালিকাৰ সংযোজনে গ্ৰন্থখনক সুকীয়া বিশেষত্ব প্ৰদান কৰিছে। অসমীয়া শিশু-সাহিত্যৰ ব্যাপক আৰু বিস্তৃত অধ্যয়নেৰে সমৃদ্ধ বৃহৎ কলেৱৰৰ গ্ৰন্থখনে নিশ্চয়কৈ অনুসন্ধিৎসু পঢ়ুৱৈসকলক গৱেষণাৰ সমল প্ৰদান কৰিব।

Purbayon
Publication
Guwahati | Assam | India
purbayonindia21@gmail.com
www.purbayonpublication.com
cover : sanjib bora www.sanjibbora.com
ISBN: 978-93-90919-82-6
9 789390 919826

**Asomiya Shishu Sahitya**
A critical analysis on Assamese children literature, written by Dr. Nayanmoni Baruah and published by Purbayon Publication, Panbazar, Guwahati-1, Assam, India.

1st **Edition:** August, 2021

**Price :** 550/-

ISBN : 978-93-90919-82-6

# অসমীয়া শিশু-সাহিত্য

**প্ৰথম প্ৰকাশ ঃ** আগষ্ট, ২০২১

**মূল্য ঃ** ৫৫০/-

**বেটুপাত ঃ** কৌশিক কিশলয়

**গ্ৰন্থস্বত্ব ঃ** লেখক

**প্ৰকাশকঃ**

**পূৰ্বায়ণ প্ৰকাশন**

যশোৱন্ত পথ, পাণবজাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ সমীপত

পাণবজাৰ, গুৱাহাটী- ১

Email- purbayonindia21@gmail.com

website: www.purbayonpublication.com

✆ ৯৮৬৪৪২২১৫৭

**মুদ্ৰণ ঃ**

পূৰ্বায়ণ প্ৰকাশন প্ৰাইভেট লিমিটেড

পাণবজাৰ, গুৱাহাটী- ১